# জ্যোতি আৰু বৰ্ণ

**ব্ৰজেন কটকী**

"যিজন গুৰুৰ সমাজ শিক্ষাৰ বাবে আজিও আমাৰ অসমত হিন্দু-মুছলমানৰ মৰামৰি-কটাকটি হোৱা নাই, যিজনা গুৰু আজি অসমীয়া জাতীয় নদীৰ গৰাখহনীয়াত একমাত্ৰ নৈতিক মথাউৰি সদৃশ, তেনে এজন গুৰুৰ চিন্তা আজিৰ 'মডাৰ্ন জেনেৰেশ্যন'ত বৈপ্লৱিক চিন্তাধাৰাতকৈ কোনো গুণে কম আধুনিক নহয়।

যেতিয়ালৈকে অসমীয়াই শংকৰ-মাধৱক অনুকৰণ কৰি তেৰাসৰে দেখুৱাই দিয়া পথেৰে চলি থাকিব, তেতিয়ালৈকে জগতৰ কোনো শক্তিয়ে অসমীয়াক অনিষ্ট কৰিব নোৱাৰিব। কিন্তু যিদিনা অসমীয়াই নিজেই শংকৰ-মাধৱক পাহৰিব সেইদিনা আৰু জগতৰ কোনো শক্তিয়ে অসমীয়াক নিঃশেষ হোৱাৰপৰা ৰক্ষা কৰিব নোৱাৰে।" এতিয়াৰপৰা কেইবা দশকৰ আগতেই ড° ভূপেন হাজৰিকাই লিখি যোৱা এই কথাখিনি বৰ্তমান সময়ত অতি প্ৰাসংগিকৰূপে প্ৰকট হৈ পৰিছে।

একে সুৰতে বিষ্ণু ৰাভায়ো লিখিছিল—"সঁচাকৈ আজি শংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শংকৰ নাথাকিলে অসমীয়াৰ একোৱেই নাথাকে। এনে যি শংকৰদেৱ, তেৰাই কিনো নাজানিছিল, কিনো নিদিছিল আৰু কিনো নিলিখিছিল।"

শ্ৰীমদ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীয়ে কৈছিল—"শংকৰদেৱ বিশ্ববৰেণ্য মহাপুৰুষ। তেওঁৰ দৰে মহাপুৰুষ আজি পৰ্যন্ত বিশ্বত আবিৰ্ভাৱ হোৱা নাই। তেওঁৰ বিশেষ বৈশিষ্ট্য এইখিনিতেই যে মানৱ জাতি, সমাজ, ৰাষ্ট্ৰ বা ব্যক্তিগত জীৱনৰ বাবে প্ৰয়োজনীয় সমস্ত সম্বলকে তেওঁ দান দি গৈছে।"

'জগজনতাৰণ দেৱ নাৰায়ণ' নামৰ এটি প্ৰবন্ধত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াই লিখিছিল—**"যথাৰ্থতে ১৪৪৯ চনৰপৰা এতিয়ালৈকে সুদীৰ্ঘ সময়ছোৱাত শংকৰৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ তুল্য কোনো ব্যক্তিয়েই অসমত জন্মগ্ৰহণ কৰা নাই। কেৱল অসম বুলিলেও শুদ্ধ কোৱা নহ'ব, সৰ্বভাৰতীয় পটভূমিত আৰু বিশ্বৰ পটভূমিক লৈ যদি বিচাৰ কৰা হয় শংকৰ প্ৰতিভা যে স্বৰূপাৰ্থতে মহাপুৰুষৰ প্ৰতিভা সেই সত্যটো অনুভৱ হয়।** ...সমগ্ৰ বিশ্বৰ কোনো সন্তৰ মাজত এনে গুণ, প্ৰতিভা আৰু দক্ষৰ একত্ৰ সমাৱেশ এতিয়ালৈকে হোৱা নাই। ভাৰতবৰ্ষৰ কোনো সন্তই এনেভাৱে এটা জাতিৰ জীৱনত সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰি যোৱা নাই।

শংকৰদেৱতকৈ ৩৬ বছৰৰ সৰু চৈতন্যদেৱৰ ব্যক্তিত্ব, আদৰ্শ আৰু পন্থাৰ লগত শংকৰদেৱৰ পৃথকতা বিশেষভাৱে মন কৰিবলগীয়া। ইমানতো যিসকলে চৈতন্যদেৱক শংকৰদেৱৰ গুৰু পাতিব খোজে সেইসকলৰ ঐতিহাসিক জ্ঞান, বিচাৰবোধ আৰু বিদ্যায়তনিক অৰ্হতা অত্যন্ত সন্দেহজনক আৰু সমূলঞ্চে অনিৰ্ভৰশীল।"

'যুগনায়ক শংকৰদেৱ'ত ডিম্বেশ্বৰ নেওগদেৱে উল্লেখ কৰিছে—"অসমীয়া মানুহৰ প্ৰকৃত বুৰঞ্জী, অসমীয়াৰ জাতীয়তাৰ স্বৰূপ ইতিহাস, বাস্তৱতে শংকৰদেৱৰ জীৱনী মাত্ৰ। অকল অসমীয়াৰ আধ্যাত্মিক জীৱনত নহয়, অসমীয়া জাতিৰ বহুমুখী কৰ্ম প্ৰতিভা আৰু কাৰ্যশক্তিৰ অন্ত নপৰা একোটি মাত্ৰ উহ শংকৰদেৱ, জাতীয় প্ৰাণস্পন্দনৰ একোটি কম্পন কেন্দ্ৰ কেৱল শংকৰদেৱ।"

সংস্কৃতিবান মানুহ এজনে সমাজক বহু দূৰতে এৰি অকলেই জ্ঞানৰ বাটেদি গৈ নাথাকে, জ্ঞানৰ পোহৰেৰে আনকো বাট দেখুৱাই লৈ যায়। শংকৰদেৱে আজিও অসমীয়া মানুহক বাট দেখুৱাই আছে। শংকৰদেৱে দেখুউৱা বাটেৰেই গৈ থাকিও আমি কেতিয়াবা থমকি ৰ'বলগীয়া হয়—আমাৰ অগ্ৰজসকলৰ কিছুমানে শংকৰদেৱৰ জন্মৰ পাঁচ শতিকাৰ পাছতো কৰা শংকৰ বিদ্বেষৰ বিষোদগাৰৰ বিষজালাত। 'শংকৰদেৱ অসমীয়া জাতিৰ স্ৰষ্টা হয়নে?'—শীৰ্ষক লেখক-সমালোচক ময়ূৰ বৰাৰ এটি লেখাই আমাক নতুনকৈ ভাবিবলৈ বাধ্য কৰাইছে। অসমীয়া সমাজৰ কেইজনমান লোকে বিভিন্ন সময়ত খুব কৌশলেৰে শংকৰদেৱক হেয় প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰি আহিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে তেনে অভিসন্ধিৰ আঁৰৰ মানুহবোৰো সলনি হৈছে। সেইটো গোটৰ লোকসকলে বিভিন্ন সময়ত বিভিন্ন প্ৰাতঃস্মৰণীয় পণ্ডিতৰপৰা উচিত প্ৰত্যুত্তৰো পাই আহিছে। প্ৰথম কোবত সেই গোটটোক বিহলঙনিৰে জাৰিছিল বেজবৰুৱা আৰু বাণীকান্ত কাকতিয়ে। পাছৰ কালত মহেশ্বৰ নেওগ, ডিম্বেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁলোকক যুক্তিৰে উচিত প্ৰত্যুত্তৰ দিছিল। আজিৰপৰা ন-দহ বছৰৰ আগতে পুনৰ সেইটো গোটক ঠাণ্ডা কৰিছিল নগেন শইকীয়া আৰু লক্ষ্মীনন্দন বৰাৰ দৰে সাহিত্যিক পণ্ডিতে।

বহু লোকে ভাবিব—সেই বিশেষ গোটবোৰত বিভিন্ন সময়ত অৱস্থান কৰা বিভিন্ন লোকৰ শংকৰদেৱক লৈ অসুবিধাটোনো কি? ধাৰণা কৰিবলৈ মুঠেই কঠিন নহয়—সেই লোকসকলৰ মূল ধৰফৰণিটো জড়িত হৈ আছে শংকৰদেৱৰ জন্ম বৰ্ণটোৰ লগত। যিহেতু শংকৰদেৱৰ জন্ম বিশেষ এটা কুলত হোৱা নাই, গতিকে ইমানবোৰ শ্ৰদ্ধা আৰু সন্মানেৰে তেওঁক ওপচাই পেলাবনে? তেওঁলোকৰ অভিসন্ধিমূলক তলখুঁচৰীয়া চিন্তাই শংকৰদেৱক হেয় প্ৰতিপন্ন কৰাতকৈ সন্ধিক্ষণত থকা অসমীয়া বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ মাজত সমন্বয়হীনতা সৃষ্টি কৰিছে। সেই অজ্ঞ মানুহকেইজনে উপলব্ধি কৰিব পৰা নাই যে তেওঁলোকৰ যুক্তিহীন বিষোদগাৰে দৰাচলতে শংকৰদেৱৰ অধ্যয়নত প্ৰভূত বৰঙণি আগবঢ়োৱা লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, চন্দ্ৰনাথ শৰ্মা, লক্ষীধৰ শৰ্মা, গড়মূৰীয়া বিপ্লৱী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ চিন্তা-চেতনাকো অৱজ্ঞা কৰিছে।

মহাৰাষ্ট্ৰৰ বিখ্যাত সমাজ সংস্কাৰক, সাংবাদিক, পণ্ডিত কাকাচাহেব কালেলকাৰে কৈছিল—"সৰ্বভাৰততে এতিয়াও অভাৱ হৈ থকা অস্পৃশ্যতা বৰ্জন কৰি শংকৰদেৱে সুদূৰ পঞ্চদশ শতিকাতে সৰ্বমানৱৰ এখন সৰ্বস্বত্বৰ সমাজ প্ৰতিষ্ঠা কৰিছিল। তেখেত পূবৰে নহয়, সৰ্বভাৰতৰে এগৰাকী মহাপুৰুষ।"

একোটা জাতিৰ গাত অস্পৃশ্য অভিধা জাপি দিয়া ঘটনাটো অৱশ্যে হাজাৰ বছৰ আগতে ঘটি গৈছিল। শংকৰদেৱে এই পৰিৱৰ্তনটো ঠিকেই ধৰা পেলাইছিল বাবে তেখেতে কোনো মানুহ বা জাতিকেই অস্পৃশ্য বুলি আঁতৰাই থোৱা নাছিল। শংকৰদেৱৰ সময়ত জাত-পাতৰ ব্যৱধান বাৰুকৈয়ে চলিছিল আৰু তথাকথিত নীচ বৰ্ণৰ লোকসকলক অস্পৃশ্য বুলি ঘিণ কৰা হৈছিল। শাস্ত্ৰৰ যথাৰ্থ নুবুজি এনেদৰে কৰা আচৰণো একপ্ৰকাৰ কুসংস্কাৰ আছিল। মহাপুৰুষে প্ৰাচীন সাহিত্য অধ্যয়ন কৰি ইয়াৰ মৰ্মাৰ্থ ভালকৈয়ে বুজিছিল বাবেই অসমত এখন বৰ্ণহীন সমাজ গঠনত গুৰুত্ব দিছিল। মহাপুৰুষৰ মহাপ্ৰয়াণৰ পাছত ভকতসকলে ইয়াৰ মৰ্মাৰ্থ নুবুজি বিষয়টোক কুসংস্কাৰৰ অধীন কৰিলে।

ঐতিহাসিক কালৰ মহাপদ্ম নন্দ, চন্দ্ৰগুপ্ত মৌৰ্য আদি শূদ্ৰ আছিল। ক্ষত্ৰিয় বিশ্বামিত্ৰ ব্ৰাহ্মণ হোৱাৰ পৰিৱৰ্তে দ্ৰোণাচাৰ্য, কৃপাচাৰ্য, পৰশুৰাম আদি ব্ৰাহ্মণৰপৰা ক্ষত্ৰিয় হৈছিল। কৈৱৰ্ত সত্যৱতীৰ পুত্ৰ কৃষ্ণ দ্বৈপায়ন, চণ্ডালনীৰ পুত্ৰ পৰাশৰ, বেশ্যাৰ পুত্ৰ বশিষ্ঠ আদিয়ে শূদ্ৰ নাৰীৰ গৰ্ভত জন্ম লৈও ব্ৰাহ্মণত্ব লাভ কৰিছিল। দেৱতাৰ কাৰিকৰ বিশ্বকৰ্মাৰ ঔৰষত শূদ্ৰাৰ গৰ্ভত নজন শিল্পীৰ জন্ম হয়। এওঁলোক হ'ল—মালাকাৰ, কমাৰ, শংখকাৰ, বস্ত্ৰকাৰ, কুমাৰ, কঁহাৰ, সূতাৰ (কাঠমিস্ত্ৰি), চিত্ৰকাৰ আৰু স্বৰ্ণকাৰ। এওঁলোকক পাছত একোটা জাতিৰূপে স্বীকৃতি দিয়া হ'ল। এইসকলৰ ভিতৰত প্ৰথম ছজন উচ্চ বৰ্ণৰ হৈ থাকিল, কিন্তু শেষৰ তিনিজন নীচ জাতি হিচাপে অস্পৃশ্য হ'ল। স্বৰ্ণকাৰে সোণ চুৰ কৰি ধৰা পৰাত ব্ৰাহ্মণে শাপ দিছিল, সূতাৰে ব্ৰাহ্মণৰ যজ্ঞত জোখমতে কাঠ আদি নিদি যজ্ঞৰ বিঘিনি ঘটাইছিল আৰু চিত্ৰকাৰে যজ্ঞত বিকৃত চিত্ৰৰ যোগান ধৰি দেৱতাক অৱমাননা কৰাৰ বাবে পতিত হৈছিল।

পিতৃ-মাতৃ একে হ'লেও নিজৰ কৰ্মৰ বাবে বৰ্ণবিভাজন মানি ল'ব লগা হয়। সেইফালৰপৰা চালে শংকৰদেৱক কোনো বৰ্ণৰ সীমাবদ্ধতাৰে ঢাকি ৰাখিব নোৱাৰে। শংকৰদেৱ নিজেই জ্যোতিষ্মান। শংকৰদেৱ স্বৰ্বৰ্ণৰে উদ্ভাসিত। বৰ্ণহীন।

ঠিকনা ঃ পশ্চিম বঙালপুখুৰী, যোৰহাট-৭৮৫০০১, ফোন ঃ ৯৪৩৫৩৫৭১৮৮